**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

——————————————

১। ইউৰোপীয় সংঘৰ প্ৰতিনিধিৰ উপস্থিতি আজি গুৱাহাটী **ব্লু ভেলীজ ক্লাষ্টাৰ** শীৰ্ষক কৰ্মশালা।

২। মধ্য প্ৰদেশৰ ইন্দোৰত ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ চলিত বৰ্ষৰ সন্মিলন আৰম্ভ।

৩। বিত্তমন্ত্ৰী তথা তামুলপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ জিলাখনৰ উন্নয়নমূলক কাম কাজৰ পৰ্যালোচনা। ***আৰু***

৪। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত পাঁচগৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ।

০০০০০০

অসম-ইউৰোপ অংশীদাৰিত্বত নতুন অধ্যায়ৰ সূচনা কৰি গুৱাহাটীত উপস্থিত হোৱা ইউৰোপীয় সংঘৰ প্ৰতিনিধি দলটোৱে আজি হোটেল ৰেডিছন ব্লুত **ব্লু ভেলীজ ক্লাষ্টাৰ** শীৰ্ষক এখন কৰ্মশালাত অংশ লৈছে। পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা এই কৰ্মশালাত ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত হাৰ্ভে ডেলফিন সহ ইউৰোপীয় সংঘৰ প্ৰতিনিধিসকল উপস্থিত আছে। উল্লেখযোগ্য যে কৰ্মশালাৰ পাছতে দুপৰীয়া মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ব্লু ভেলী ক্লাষ্টাৰৰ উদ্বোধন কৰা হ'ব। ইয়াৰ পাছতে বিয়লি মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ লগতে ইউৰোপীয় সংঘৰ প্ৰতিনিধিসকলে এখন সংবাদ মেল সম্বোধন কৰিব। এই ব্লু ভেলী ক্লাষ্টাৰৰ জৰিয়তে ইউৰোপৰ সৈতে অসমৰ বাণিজ্য শৃংখল গঢ়ি তোলাৰ উদ্যোগ লোৱা হৈছে।

০০০০০০

মধ্য প্ৰদেশৰ ইন্দোৰত ব্ৰীকছ্ সন্মিলন ২০২৬ আজি আৰম্ভ হৈছে। কেন্দ্ৰীয় চৰকাৰে আয়োজন কৰা কৃষি কৰ্মগোটৰ গুৰুত্বপূৰ্ণ এই আন্তঃৰাষ্ট্ৰীয় সন্মিলন অহা ১৩ জুনত সামৰণি পৰিব। এই লন্মিলনত কৃষ্টি মন্ত্ৰী, কৃষি বিজ্ঞানী, জ্যেষ্ঠ বিষয়া, নীতি নিৰ্ধাৰক আৰু ২০ খন দেশৰ বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে সন্মিলনৰ প্ৰথম তিনিদিনৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ৯ জুনৰ পৰা ১১ জুনলৈ কৃষি কৰ্মগোটৰ বৈঠক অনুষ্ঠিত হ'ব আৰু ১২ৰ পৰা ১৩ জুনলৈ ৰাজ্যসমূহৰ কৃষি মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হ'ব। এই সময়ছোৱাত পশুপালন, মীন পালন, কৃষকৰ অধিকাৰ আদি গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অনুষ্ঠিত এই সন্মিলনত খাদ্য সুৰক্ষা, জলবায়ু পৰিৱৰ্তন, কৃষি বাণিজ্য, যোগান শৃংখলা, ডিজিটেল কৃষি, কৃত্ৰিম বুদ্ধিমত্তা, কৃষকৰ কল্যাণ, গৱেষণা সহযোগিতাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হ'ব।

০০০০০০

বিত্ত মন্ত্ৰী তথা তামুলপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি জিলাখনৰ বিভিন্ন কাম-কাজৰ বুজ লয়। তেওঁ জিলাখনত বান্ধ প্ৰতিৰোধৰ প্ৰস্তুতি আৰু হাতী-মানুহৰ সংঘাতৰ সমস্যাৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰে।এই উপলক্ষে আয়োজিত তামুলপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত

আয়োজিত বৈঠকত তামুলপুৰ সমষ্টিৰ বিধায়ক তথা বিশ্বজিৎ দৈমাৰী, গোৰেশ্বৰ সমষ্টিৰ বিধায়ক ভিক্টৰ কুমাৰ দাসকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। কালি এই বৈঠকৰ পাছত অভিভাৱক মন্ত্রীগৰাকীয়ে সাংবাদিকৰ আগত এইদৰে কয়—

**বাইট (জয়ন্ত মল্লবৰুৱা)**

০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতে আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত পাঁচগৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰিব। চৰকাৰী পক্ষৰ সাক্ষী হিচাপে আজি বিশ্বজিৎ দাস, মহেশ্বৰ হালৈ, প্লাৱিতা বৰকাকতি, বেবী বৰা আৰু ছাহিদ শ্বান হকক ফাষ্টট্ৰেক আদালতত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে কালিৰেপৰা এই গোচৰৰ বিচাৰ প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে আৰু কালি আদালতে মৰিগাঁও জিলাৰ তদানীন্তন আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এজাহাৰ দাখিল কৰা ৰাতুল বৰা, মৰিগাঁৱৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ শইকীয়া, আৰু আৰক্ষী পৰিদৰ্শক ভাস্কৰ বৰ্মনৰ সাক্ষ্য গ্ৰহণ কৰে। এই গোচৰত সাক্ষী হিচাপে মুঠ ৩৯৪ গৰাকী লোকৰ নাম অন্তৰ্ভুক্ত হৈছে।

০০০০০০

ৰাজ্যৰ দখলমুক্ত ভূমি সুৰক্ষাৰ বাবে চৰকাৰে স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিব। দখলমুক্ত ভূমি যাতে পুনৰ কোনো লোকে অবৈধভাৱে দখল কৰিব নোৱাৰে তাৰ বাবে কঠোৰ, সুদৃঢ় আৰু স্থায়ী ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্পষ্ট কৰি দিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি গুৱাহাটীৰ লোকসেৱা ভৱনত আয়োজিত এখন বৈঠকত কৃষি আন্তঃগাঁথনি পুঁজিৰ অধীনত ৰাজ্যখনত ৰূপায়িত প্ৰকল্পসমূহৰ অগ্ৰগতি পৰ্যালোচনা কৰে। এই বৈঠকতে চৰকাৰে দখলমুক্ত ভূমি সুৰক্ষাৰ বাবে স্থায়ী ব্যৱস্থা লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা মতে ৰাজ্য চৰকাৰে যোৱা পাঁচ বছৰত ২০০ বৰ্গ কিলোমিটাৰতকৈও অধিক ভূমি দখলমুক্ত কৰিছে। উল্লেখযোগ্য যে, বৈঠকত মুখ্যমন্ত্ৰীয়ে কৃষকসকলে সৰ্বাধিক লাভ অৰ্জন কৰিব পৰাকৈ এই পুঁজি অধিক ফলপ্ৰসূ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কৃষক, কৃষক উৎপাদক সংস্থা, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ হিতাধিকাৰী, উদ্যোগী, বেংক ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক অৰ্থাৎ নাবাৰ্ডকে ধৰি সকলো অংশীদাৰক একত্ৰিত কৰি বিস্তৃত কৰ্মশালা আয়োজনৰ নিৰ্দেশ দিয়ে। ইয়াৰ লগতে ৰাজ্যৰ অধিকসংখ্যক থলুৱা কৃষিজাত সামগ্ৰীৰ বাবে জি আই টেগ লাভৰ প্ৰচেষ্টা আৰু ৰাজ্যজুৰি জৈৱিক প্ৰমাণীকৰণ প্ৰক্ৰিয়াক অভিযানৰ ৰূপত আগবঢ়াই নিয়াৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। কৃষক আৰু উৎপাদকসকলক এগ্ৰিগেটৰ, ৰপ্তানিকাৰক আৰু বজাৰৰ সৈতে অধিক সংযোগ স্থাপন কৰি বিশ্ব বজাৰত অসমৰ কৃষিজাত সামগ্ৰীৰ প্ৰৱেশৰ অধিকাৰ বৃদ্ধি কৰাৰো নিৰ্দেশ দিয়ে।

০০০০০০

জি আই টেগ লাভ কৰা তেজপুৰৰ লিচু আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰৱেশ কৰিছে বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰকাশ কৰিছে। তেওঁ কয়, যে কৃষি আৰু প্ৰসংস্কৰণ, খাদ্য সামগ্ৰী ৰপ্তানি উন্নয়ন প্ৰাধিকৰণৰ সহায়ত ডুবাইলৈ তেজপুৰৰ লিচুৰ ইতিমধ্যে প্ৰথম পৰ্যায়ৰ ৰপ্তানি কৰা হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী গোৱেলে কয়, যে এই পদক্ষেপৰ জৰিয়তে অঞ্চলটোৰ লিচু খেতিয়কসকলে উন্নত মূল্য লাভ কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ কৃষিজাত সামগ্ৰীসমূহৰ বাবে নতুন সুযোগ সৃষ্টি কৰিব।

ইফালে, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ কালি ১০ হাজাৰ ৩০০ লিচু প্ৰেৰণ কৰা হয়। তেজপুৰৰ একাংশ লিচু খেতিয়কে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰা এই লিচুসমূহ হৈছে - ব'ম্বায়া, শ্বাহী, ইলাচী, বিলাতী আৰু পিয়াজি জাতৰ। উল্লেখযোগ্য যে তেজপুৰৰ লিচুৰ সোৱাদ লোৱাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজহুৱাকৈ এই লিচুৰ প্ৰশংসা কৰিছিল।

০০০০০০

মণিপুৰৰ সেনাপতি আৰু ইম্ফল পশ্চিম জিলাত আৰক্ষীয়ে  নিচাযুক্ত সামগ্ৰীসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। সেনাপতি জিলাৰ সেনাপতি থানাৰ অন্তৰ্গত টি খুলেন নাকা চকীত নিৰাপত্তা বাহিনীয়ে কালি নিশা অভিযান চলাই এই সামগ্ৰীখিনি জব্দ কৰাৰ লগতে অসমৰ দুজন বাসিন্দাক গ্ৰেপ্তাৰ কৰে বুলি মণিপুৰ আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ সূত্ৰই আজি প্ৰকাশ কৰে। গ্ৰেপ্তাৰ কৰা লোক দুজন দেবীপুৰৰ উৰিয়ামঘাটৰ নাচিমুদ্দিন আৰু গোমাৰিগুৰিৰ মনজিৎ বুলি জানিব পৰা গৈছে। দুয়োজন সৰবৰাহকাৰীৰ পৰা আৰক্ষীয়ে ১২টা চাবোনৰ বাকচত নিষিদ্ধ সামগ্ৰীখিনি উদ্ধাৰ কৰে। ইফালে পশ্চিম ইম্ফল জিলাৰ সাপাম মামাং লেইকাই নিবাসী নোংমাইথেম ৰূপু সিং নামৰ আন এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

০০০০০০

যোৰহাট জিলাৰ নিমাতীৰ ফেৰী ঘাটত নিৰ্মাণ কৰিবলগীয়া  নিমাতী টুৰিষ্ট-কাম-কাৰ্গ' পেছেঞ্জাৰ টাৰ্মিনেল প্ৰকল্পৰ কাম-কাজৰ বুজ লোৱাৰ উদ্দেশ্যে কালি জিলা আয়ুক্ত জয় শিৱানীয়ে নিৰ্মাণস্থলী পৰিদৰ্শন কৰে। প্ৰকল্পটোৰ নিৰ্মাণকাৰ্য চলি থকাৰ সময়ত যাতে স্থানীয় লোকৰ যাতায়াতৰ ক্ষেত্ৰত কোনোধৰণৰ সমস্যাৰ সৃষ্টি নহয়, সেই কথা নিশ্চিত কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০

যোৰহাট জিলাৰ তিতাবৰৰ কাকডোঙা নৈত অবৈধ মাছ ধৰা কাৰ্যকলাপৰ বিৰুদ্ধে অভিযান চলোৱা হয়। তিতাবৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া আৰু তিতাবৰ মহকুমা মীন বিষয়াৰ উপস্থিতিত এই অভিযান চলোৱা হয়। অভিযানকালত নদীত চলি থকা অবৈধ মাছ ধৰা সন্দৰ্ভত স্থানীয় বাসিন্দাসকলৰ সৈতে আলোচনা কৰি এনে কাৰ্যকলাপ ৰোধ কৰিবলৈ সকলোৰে পৰা সহযোগিতা আহ্বান কৰা হৈছে।

০০০০০০

তামুলপুৰৰ ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলসমূহত হাতী-মানুহৰ সংঘাতে সমস্যাৰ সৃষ্টি কৰিছে। খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ওলাই অহা বনৰীয়া হাতীয়ে সমীপৱৰ্তী গাঁওসমূহত ত্ৰাসৰ সৃষ্টি কৰিছে। যোৱা নিশা ভূটান সীমান্তৰ কাৰখেলা গাঁৱত এটা বনৰীয়া হাতীৰ জাকে উপদ্ৰৱ চলাই কেইবাটাও বাসগৃহ ধবংস কৰে। উল্লেখযোগ্য যে যোৱা সপ্তাহত বনৰীয়া হাতীৰ আক্ৰমণত অঞ্চলটোত দুজন লোকে প্ৰাণ হেৰুৱায়। কাৰখেলাৰ উপৰি কালাঝাৰ, অভয়পুৰ, শান্তিপুৰ, খৈৰাণি আৰু চেঁচাপানী গাঁৱতো বনৰীয়া হাতীয়ে উপদ্ৰৱ চলাইছিল।

০০০০০০

**সমাপ্ত**